**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 17-06-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই যোৱা নিশা তেল আৰু প্ৰাকৃতিক গেছ নিগমৰ শিৱসাগৰ জিলাৰ ৰুদ্ৰসাগৰ তৈলক্ষেত্ৰৰ অধীনস্থ ১৪৭ নম্বৰ ৰীগত হোৱা গেছ নিৰ্গমন থলীত উপস্থিত হৈ আশ্ৰয় শিবিৰত থকা লোকসকলক সাক্ষাৎ কৰে। মুখ্যমন্ত্ৰীয়ে গেছ নিৰ্গমন ৰোধ কৰাৰ বাবে অনতি পলমে ব্যৱস্থা লোৱা হ'ব বুলি উল্লেখ কৰে। ভটীয়াপাৰ বনগাঁও উচ্চ মাধ্যমিক বিদ্যালয়ত স্থাপন কৰা আশ্ৰয় শিবিৰত উপস্থিত হৈ মুখ্যমন্ত্ৰীয়ে তাত থকা লোকসকলৰ সৈতে মত বিনিময় কৰাৰ উপৰি প্ৰশাসনে গ্ৰহণ কৰা পদক্ষেপসমূহৰ বুজ লয়। সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰীয়ে তেলৰ ৰীগটো পৰিচালনা কৰা ব্যক্তিগত খণ্ডৰ এছ কে পেট্ৰ' নামৰ প্ৰতিষ্ঠানটোৰ বিৰুদ্ধে তদন্ত ঘোষণা কৰে। ড০ শৰ্মাই ঘটনা সন্দৰ্ভত অ' এন জি চিৰ শীৰ্ষ বিষয়াৰ সৈতে যোগাযোগ ৰক্ষা কৰি আছে বুলিও উল্লেখ কৰে। তেওঁ কয়, যে ৰাজ্য চৰকাৰে এই বিষয়টোত গুৰুত্ব আৰোপ কৰিছে আৰু প্ৰয়োজন সাপেক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতেও এই সন্দৰ্ভত আলোচনা কৰিব। তৈল প্ৰতিষ্ঠানটোৰ অধ্যক্ষৰ সৈতেও মুখ্যমন্ত্ৰীয়ে আলোচনা কৰিব বুলি উল্লেখ কৰে। এই ঘটনাৰ বাবে অঞ্চলটোৰ জনসাধাৰণে সন্মুখীন হোৱা সমস্যা ৰাজ্য চৰকাৰে উপলব্ধি কৰিছে আৰু তেওঁলোকৰ প্ৰতি সহায়ৰ হাত আগবঢ়াব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। এই পৰিদৰ্শনৰ সময়ত শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগু, উদ্যোগ বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান মন্ত্ৰী বিমল বৰা, পৰিবহন মন্ত্ৰী যোগনে মহন, খনি আৰু খনিজাত বিভাগৰ মন্ত্ৰী কৌশিক ৰয়ৰ উপৰি কেইবাগৰাকী বিধায়ক আৰু অ' এন জি চিৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে। উল্লেখযোগ্য যে, গেছ নিৰ্গমন ৰোধ কৰাৰ বাবে প্ৰচেষ্টা চলি থকাৰ লগতে কাষৰীয়া অঞ্চলসমূহৰ জনসাধাৰণ তথা পশুধনৰ সুৰক্ষাৰ বাবে ব্যৱস্থা লোৱা হৈছে। জিলা প্ৰশাসনৰ সূত্ৰই প্ৰকাশ কৰা মতে ২৪ ঘণ্টাই দণ্ডাধীশ পৰ্যায়ত তদাৰক কৰি থকা হৈছে। তদুপৰি ঘটনাস্থলীৰ নিকটৱৰ্তী নাগৰিকসকলক বিশুদ্ধ খোৱাপানী আৰু আহাৰ যোগান ধৰি থকা হৈছে। জনস্বাস্থ্য কাৰিকৰী বিভাগে অঞ্চলটোত স্বাস্থ্য শিবিৰো মুকলি কৰিছে। জিলা অগ্নি নিৰ্বাপক বাহিনী, তেল আৰু প্ৰাকৃতিক গেছ নিগমৰ অগ্নি নিৰ্বাপক বাহিনী, অসামৰিক প্ৰতিৰক্ষা বিভাগ আৰু জৰুৰীকালীন সেৱা বিভাগৰ বিষয়া-কৰ্মচাৰীৰ সহযোগত গেছ নিৰ্গমন ৰোধৰ প্ৰচেষ্টা অব্যাহত ৰখা হৈছে। তদুপৰি ঘটনা সংঘটিত হোৱা স্থানৰ পৰা ১ কিলোমিটাৰ নিলগলৈ বায়ুৰ গুণাগুণ পৰীক্ষাৰ বাবে স্থায়ী যন্ত্ৰ স্থাপন কৰা হৈছে। যোৱা বৃহস্পতিবাৰে দুপৰীয়া তেল কূপটোত গেছৰ নিৰ্গমন আৰম্ভ হয়। প্ৰচণ্ড শব্দৰে নিৰ্গত হোৱা এই গেছৰ ফলত জনস্বাস্থ্যৰ প্ৰতি সৃষ্টি হোৱা ভাবুকিৰ প্ৰতি লক্ষ্য ৰাখি জিলা প্ৰশাসনে সমীপৰ ৭০টা পৰিয়ালক সেই অঞ্চলৰ পৰা স্থানান্তৰ কৰে।

ইপিনে, এই ঘটনাৰ প্ৰতিবাদত কালি অসমীয়া যুৱ মঞ্চই প্ৰতিবাদী কাৰ্যসূচী অনুষ্ঠিত কৰে। সংগঠনটোৱে এছ কে পেট্ৰ'ল নামৰ ব্যক্তিগত প্ৰতিষ্ঠানটোৰ বিৰুদ্ধে এজাহাৰ জাখিল কৰিছে। অঞ্চলটোৰ ৰাইজে ততালিকে এই সমস্যাৰ সমাধান কৰিবলৈ চৰকাৰৰ প্ৰতি আহ্বান জনাইছে।

০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি লখিমপুৰ জিলাত ১১০ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও প্ৰকল্পৰ আধাৰশিলা স্থাপন তথা উদ্বোধন কৰে। তেওঁ বেৱেজীয়াৰ কুমাৰটুপত ২৬ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ হ'বলগীয়া অক্ষয় পাত্ৰ ফাউণ্ডেছনৰ কেন্দ্ৰীয় সামূহিক ৰান্ধনিঘৰৰ আধাৰশিলা স্থাপন কৰে। ১৬ বিঘাৰো অধিক ভূমি সামৰি এই ৰান্ধনিঘৰটো নিৰ্মাণ কৰা হ'ব। প্ৰধানমন্ত্ৰী পোষণ আঁচনিৰ অধীনত সমগ্ৰ শিক্ষা অভিযানৰ অংশ হিচাপে নিৰ্মাণ কৰিবলগীয়া এই ৰান্ধনীঘৰটো চলিত বছৰৰ ছেপ্তেম্বৰৰ ভিতৰত সম্পূৰ্ণ কৰাৰ লক্ষ্য লোৱা হৈছে।

ড° শৰ্মাই কালি ৬৫ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ হ'বলগীয়া দ্বিতীয় পৰ্যায়ৰ উত্তৰ লখিমপুৰ নগৰৰ পানীযোগান আঁচনি আৰু উত্তৰ লখিমপুৰ ইক' পাৰ্কৰ আধাৰশিলা স্থাপন কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে ৪ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা লখিমপুৰ জিলা পৰিষদৰ নতুন কাৰ্যালয় ভৱনটোও উদ্বোধন কৰে। ০০০

০০০০০০০

ৰাষ্ট্ৰীয় ভোজ্য তেল অভিযান-তৈল খেজুৰৰ অধীনত কালি ধেমাজি চিচিবৰগাঁৱৰ চেচু দীঘলী অঞ্চলত তৈল খেজুৰ ৰোপণ কাৰ্যসূচীত অসম চৰকাৰৰ কৃষি বিভাগৰ আয়ুক্ত সচিব অৰুণা ৰ'জৰীয়াই অংশগ্ৰহণ কৰে। ধেমাজি জিলা প্ৰশাসন আৰু জিলা কৃষি বিভাগৰ উদ্যোগত আয়োজিত এই কাৰ্যসূচীত আয়ুক্ত সচিব ৰ'জৰীয়াই অসমত তৈল খেজুৰৰ সম্ভাৱনাৰ কথা উল্লেখ কৰি কয়, যে এই কৃষিয়ে কৃষকক উপকৃত কৰিব পাৰিব। তৈল খেজুৰৰ মূল্য আন্তঃৰাষ্ট্ৰীয় বজাৰত ক্ৰমাত বৃদ্ধি হোৱালৈ চাই এই খেতিৰ জৰিয়তে অসমৰ কৃষকে যথেষ্ট উপাৰ্জন কৰাৰ থল আছে বুলি তেওঁ প্ৰকাশ কৰে। অসমত বৰ্তমানলৈ ৬০০ হেক্টৰ মাটিত তৈল খেজুৰৰ খেতি আছে। চলিত বৰ্ষত ২০ হাজাৰ হেক্টৰ ভূমিত এই খেতি কৰাৰ পৰিকল্পনা আছে আয়ুক্ত সচিবগৰাকীয়ে জানিবলৈ দিয়ে।

০০০০০০

ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী কৌশিক ৰায়ে আজি ৰাজ্যৰ ১০ খন জিলাত অহা অক্টোবৰত আৰম্ভ হ'বলগীয়া ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনত যোৰহাট জিলাৰ হিতাধিকাৰী সকলৰ বাবে সজাগতা সভাত ভাগ ল'ব। এই আঁচনিৰ অধীনত গ্ৰাহকসকলক এক কিলোগ্ৰামকৈ মচুৰ দাইল, চেনি আৰু নিমখ সুলভ মূল্যত প্ৰদান কৰা হ'ব। এই সজাগতা সৃষ্টিৰ উদ্দেশ্যে জিলাখনৰ সুলভ মূল্যৰ দোকানী, গাঁও পঞ্চায়ত, সমবায় সমিতিসমূহৰ প্ৰতিনিধিসকলক এই আঁচনিৰ সকলো দিশ সামৰি অৱগত কৰোৱা হ'ব। ৰাজ্যৰ ১০ খন জিলাত এই আঁচনি আৰম্ভ হোৱাৰ এমাহৰ পাছতেই অৰ্থাৎ নৱেম্বৰত এই আঁচনি কাৰ্যকৰী হ'ব।

০০০০০০

সমাপ্ত